Date / /
Page

তলত উল্লেখ কৰা হ'ল :
(1) লো, তীমা আৰু ইয়াৰ আন আন আনুষংগিক উদ্যোগ-যোৰ বিহাৰ আৰু পশ্চিমবংগত গঢ়ি উঠিছে কাৰণ ইয়াত কয়লা আৰু লো ওচৰা-ওচৰিকৈ পোৱা যায়।

(2) বন্দৰ আৰু বাণিজ্যিক কেন্দ্ৰসমূহৰ বাবেও ভাৰতত উদ্যোগৰ স্থানীয়কৰণ অধিকবিকোনে হোৱা দেখা যায়।

(4) ঔদ্যোগিক স্থানীয়কৰণ বুলিলে কি বুজা? (3)(2)

Ans> যেতিয়া একেলগে ওচৰা-ওচৰিকৈ এটা ঠাই বা অঞ্চলত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান গঢ়ি উঠে বা কেন্দ্ৰীভূত হয় তাকে ঔদ্যোগিক স্থানীয়কৰণ বোলা হয়।

(5) অসমৰ চাহ উদ্যোগৰ দুটা প্ৰত্যাহ্বান উল্লেখ কৰা। (3)(2)

Ans> অসমৰ চাহ উদ্যোগ বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তলত দুটা প্ৰত্যাহ্বানৰ উল্লেখ কৰা হ'ল।
(ক) অসমৰ চাহ বাগিচাসমূহ বহুত পুৰণি আৰু ইয়াৰ অধিকাংশ চাহ গছেই উন্নত মানৰ চাহ উৎপন্ন কৰিবলৈ অপাৰগ হৈ পৰিছে।
(খ) ~~আন~~ অসমত মালিক সকলে, চাহ উৎপাদনত উন্নত প্ৰযুক্তি কৌশল ব্যৱহাৰ নকৰে। ইয়াৰ ফলত অসমৰ

Scanned with CamScanner

চাহৰ উৎপাদনত মান স্থাপন কৰিছে আৰু বিশ্বৰ বজাৰত চাহখিনিও স্থান লাভ কৰিছে।

(6) উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক উন্নয়নৰ ওপৰত এটা আভাস দিয়া। (3+5)

Ans→ উদ্যোগ অঞ্চৰ বিকাশৰ ক্ষেত্ৰত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ তেনেই পিছপৰা এক অঞ্চল বুলিব পাৰি। অসম আৰু মেঘালয়ত কিছুসংখ্যক ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি উঠিলেও বাকী আন ৰাজ্য কেইখনত উদ্যোগৰ বিকাশ অতি নগণ্য বুলি কব পাৰি। পৰম্পৰাগত আৰু কৃষিভিত্তিক কেইটামান উদ্যোগহে উত্তৰ-পূৰ্বাঞ্চলত দেখা যায়। সেইবোৰৰ ভিতৰত চাহ, চেনি, মৰাপাট, কাগজ, সাৰ, চিমেন্ট, পেট্ৰোল, সূতা কটা মিল, প্লাইউড আদি প্ৰধান। এই বোৰৰ বেছিভাগেই অসম আৰু কিছুসংখ্যক মেঘালয়ত স্থাপন কৰা হৈছে। আন ৰাজ্যত সীমিত পৰিসৰহে উদ্যোগ স্থাপন হোৱা দেখা যায়।

উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগসমূহ প্ৰধানত তলত দিয়া ধৰণে চাৰিটা ভাগত ভাগ কৰিব পাৰি।

(i) কৃষিভিত্তিক উদ্যোগ।

(ii) খনিজজাত উদ্যোগ।

(iii) বনজাত উদ্যোগ।

(iv) আন আনুষংগিক উদ্যোগ।

উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক বিকাশৰ সমস্যা আৰু অনগ্ৰসৰতাৰ প্ৰতি লক্ষ্য কৰি ১৯৯৭ চনত এক

সুকীয়া ঔদ্যোগিক নীতি গ্ৰহণ কৰা হয়। এই নীতিত উত্তৰ পূৰ্বাঞ্চলৰ বাবে বিশেষ ৰেহাই ব্যৱস্থাৰ ঘোষণা কৰা হৈছিল।

উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ উদ্যোগৰ উন্নয়নৰ হাৰ, সৰ্বভাৰতীয় উন্নয়নৰ হাৰৰ তুলনাত বহুত পিছুৱাই আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ উদ্যোগ:

| | নিয়োগৰ শতাংশৰ হাৰ |
|---|---|
| উত্তৰ-পূৰ্বাঞ্চল | ৩.১১ |
| সৰ্বভাৰতীয় | ১০০.০০ |

উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ উদ্যোগৰ উন্নয়নৰ হাৰ অতি লেহেম। ইয়াত এতিয়ালৈকে উল্লেখযোগ্য ক্ষুদ্ৰ উদ্যোগ স্থাপন হোৱা নাই।

=×=

7) ভাৰতৰ সকলোবোৰ ৰাজ্যত সেউজ বিপ্লৱৰ প্ৰভাৱ কিয় দেখা নাযায়? ৩ ৫

Ans -> ১৯৬৬ চনত ভাৰতত সেউজ বিপ্লৱৰ সূত্ৰপাত হয়, যাৰ ফলত কৃষিজাত শস্যবোৰৰ উৎপাদন বৃদ্ধি পায়। কিন্তু সেউজ বিপ্লৱৰ প্ৰভাৱ ভাৰতৰ সকলোবোৰ ৰাজ্যত পৰা দেখা নাযায়। ইয়াৰ কাৰণ তলত আলোচনা কৰা হ'ল।

(ক) সেউজ বিপ্লৱ বিশেষভাৱে জলসিঞ্চন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল। ভাৰতৰ কিছুমান ৰাজ্যত জলসিঞ্চন ব্যৱস্থাৰ আৰ্দ্ৰতাত ভূ-ভাগৰ পানী যোগানত অসুবিধা হয়। এনেবোৰ ৰাজ্যত সেউজ বিপ্লৱৰ প্ৰভাৱ পৰা দেখা নাযায়।

(খ) সেউজ বিপ্লৱৰ সফলতা কৃষিকাৰ্য্যৰ পদ্ধতিত

বিভিন্নতাৰ ওপৰত নিৰ্ভৰশীল। পাঞ্জাৱ, হৰিয়ানা আদি ৰাজ্যত যান্ত্ৰিক কৃষি আৰু কৃষি পাম আগৰ পৰাই প্ৰচলিত হৈ আছিল। এনেবোৰ ৰাজ্যত সেউজ বিপ্লৱ অধিক ফলপ্ৰসূ হৈছিল। কিন্তু দক্ষিণ আৰু পূৰ্বোত্তৰ অঞ্চলৰ ৰাজ্যসমূহত এনে ব্যৱস্থাৰ অভাৱত সেউজ বিপ্লৱে দীৰ্ঘ পদক্ষেপ লবলৈ সমৰ্থ হোৱা নাই।

(৩) চৰকাৰী সহযোগিতাৰ ~~ভিন্নি~~ বিভিন্নতাৰ কাৰণেও সেউজ বিপ্লৱে ভাৰতৰ সকলোৰ ৰাজ্যত সমান প্ৰসাৰ বিস্তাৰ কৰিব পৰা নাই।

ভাৰতৰ কিছুমান ৰাজ্যত চৰকাৰে সেউজ বিপ্লৱক সম্পূৰ্ণ সমৰ্থন জনাইছে। আনহাতে কোনো ৰাজ্যত চৰকাৰে বিশেষ আগ্ৰহী হোৱা দেখা নাযায়। ফলত সেউজ বিপ্লৱৰ প্ৰসাৰ অসমান হৈছে।

(৪) সেউজ বিপ্লৱ বৃহৎ কৃষি ফাৰ্ম আৰু ধনী কৃষকৰ ক্ষেত্ৰত সফল হৈছে। ক্ষুদ্ৰ উপান্ত কৃষক সকলে উন্নত কৃষিৰ আহিলাসমূহ ব্যৱহাৰ কৰা অক্ষম হয়। ফলত যিবোৰ ৰাজ্যৰ কৃষক প্ৰকৃত উপান্ত আৰু দুখীয়া, তেওঁলোকে সেউজ বিপ্লৱৰ আহিলাবোৰ গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ ফলত সকলোবোৰ ৰাজ্যত সেউজ বিপ্লৱ সফল হ'ব পৰা নাই।

এনে ধৰণৰ বিভিন্ন কাৰণত ভাৰতৰ সকলোবোৰ ৰাজ্যত সেউজ বিপ্লৱৰ প্ৰভাৱ সমানহাৰে দেখা নাযায়।

=×=

Scanned with CamScanner